**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত।

২। চৰকাৰী বিশ্ববিদ্যালয়ত গৱেষণা কৰা শিক্ষাৰ্থী সকলৰ বাবে এককালীন আৰ্থিক সাহায্য প্ৰদানত অসম মন্ত্ৰীসভাৰ অনুমোদন।

৩। বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন।

৪। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰৰ এন ডি এ চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে আকাশবাণীৰ বাতৰি বিভাগৰ বিশেষ প্ৰতিবেদন। **আৰু**

৫। চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপত অহা ৫ ছেপ্তেম্বৰত ভাৰতীয় হকী দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৪৮৯ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানত বৰ্তমানলৈকে মুঠ ১৪ গৰাকী লোকৰ মৃত্যু হৈছে। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে।

সাংসদ কামাখ্যা প্ৰসাদ তাছাই কালি গোলাঘাট জিলাৰ বানত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিভ্ৰমণ কৰি বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ বানত ক্ষতিগ্ৰস্ত লোকসকলক সকলো সহায় আগবঢ়াবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ –––**ভইচ**––

বান পৰিস্থিতিৰ বুজ ল'বলৈ কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি কাছাৰত দুদিনীয়া কাৰ্যসূচীৰে উপস্থিত হয়। তেওঁ শিলচৰ-শিৰবাৰী ৰোডৰ ছিংকিং জ'ন পৰিদৰ্শন কৰি যাত্ৰাপুৰ, গনিৰগ্ৰাম আৰু কাটিগড়াৰ সিদ্ধেশ্বৰত বান পৰিস্থিতিৰ বুজ লয়। তেওঁ বিভিন্ন বান শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতেও মত-বিনিময় কৰে। বিগত দিনকেইটাত বৰষুণ দিয়া নাই যদিও শিলচৰ আৰু শ্ৰীভূমিৰ মাজৰ যোগাযোগ বিচ্ছিন্ন হৈ আছে বুলি আমাৰ শিলচৰৰ সংবাদদাতাই জানিবলৈ দিছে। পাঁচগ্ৰামৰ ছিংকিং জ'ন, শালচাপাৰা আৰু কাটাশালত ৰে'লপথ এতিয়াও পানীত বুৰ গৈ থকাত ৰে'ল যোগাযোগো ব্যাহত হৈ পৰাত লোকসকলে নাৰেৰে যাতায়াত কৰিবলগীয়া হৈছে।

ইপিনে নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ধনশ্ৰী, পাঁচনৈ আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰায় ৪০ শতাংশ অঞ্চল পানীত বুৰ গৈছে। উদ্যানখনৰ ১২টা বন শিবিৰ জলমগ্ন হৈ পৰিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো বনৰীয়া জীৱ-জন্তুসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বন কৰ্মীসকলে নাৰেৰে কৰ্তব্য পালন কৰিছে।

গোৱালপাৰা জিলাৰ বল্লাগাঁৱত কালি সন্ধিয়া পানীত পৰি এটি শিশুকে ধৰি দুগৰাকী কিশোৰীৰ মৃত্যু হয়। আমাৰ সংবাদাদাতই জনোৱা মতে কালি সন্ধিয়া একেটা পৰিয়ালৰ তিনিগৰাকী কন্যাই পথাৰত মাছ মাৰিবলৈ যোৱাৰ সময়ত পানীৰে পৰিপূৰ্ণ দ গাঁতত সোমাই পৰে। পাছত অঞ্চলটোৰ লোকে তিনিওৰে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০০০

০০০০০০

অসম মন্ত্ৰীসভাই চৰকাৰী বিশ্ববিদ্যালয়ত গৱেষণা কৰা শিক্ষাৰ্থী সকলৰ বাবে মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিত অনুমোদন দিছে। এই আঁচনিৰ অধীনত কেন্দ্ৰীয় বা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব। দিছপুৰত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

মন্ত্ৰীসভাই ডিমা হাচাও জিলাৰ পাঁচটা পথ ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰো সিদ্ধান্ত লয়। বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পাছতে ১৭৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পাঁচটা পথক ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ কাম আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে ৩ হাজাৰ ৮৭৫ কোটি টকাৰ অনুমোদন দিয়া হৈছে আৰু ইয়াৰে ৮০ শতাংশ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। বৈঠকত কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ বাবে ৪০০ কোটি টকাৰ আৱণ্টনত অনুমোদন জনোৱা হয়। বিশ্ববিদ্যালয়খন নিৰ্মাণৰ সময়ত ভূমি অধিগ্ৰহণ কৰা পৰিয়ালসমূহৰ সদস্যক বিশ্ববিদ্যালয়ৰ চৌহদত স্থায়ী সংস্থাপন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উল্লেখ কৰে।

**ৰাইট (চি এম)**

বৈঠকত মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনাৰ ৰূপায়ণেৰে কৃষক উৎপাদক সংস্থাৰ সবলীকৰণৰ বাবে কাৰ্যকৰী নিৰ্দেশাৱলীসমূহত অনুমোদন জনোৱা হয়। সেই অনুসৰি অসমৰ ৩০০টা কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীক ১৫ লাখ টকাকৈ আগবঢ়োৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাই লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, মহিলা উদ্যমিতা অভিযান, অমৃত সৰোবৰ, দুগ্ধ সংসাধন আদি আঁচনিৰ উন্নত ৰূপায়ণৰ বাবে এহেজাৰ ৪৫০ কোটি টকাৰ মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়নৰ যোজনাৰ বিত্তীয় অনুমোদন সন্মতি প্ৰকাশ কৰে।

০০০০০০

বিশ্ব পৰিবেশ দিৱস উপলক্ষে আজি বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা, জাৰ্ণালিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু আৰক্ষীৰ সহযোগত নগৰখনৰ প্ৰতিটো চৰকাৰী কাৰ্যালয় আৰু মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত গছপুলি ৰোপণৰ শুভাৰম্ভ কৰা হৈছে। বাৰেকুৰিত বাৰেকুৰি উন্নয়ন সমিতিয়ে জিলা প্ৰশাসনৰ তত্বাৱধানত

গছপুলি ৰোপণৰ লগতে পৰিবেশ সজাগতা সন্দৰ্ভত সভাৰ আয়োজন কৰিছে বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ উদ্যোগত আজি পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত  বিদ্যালয়খনৰ প্ৰাংগণত দিনৰ ১১ বজাত গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিদ্যালয়খনৰ পঞ্চমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধ সম্পৰ্কে ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ পৰিচালনাত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট পৰিৱেশ কৰ্মী, অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্ছ বেকনৰ সঞ্চালক সৌম্যদীপ দত্তই বিশ্বজুৰি প্লাষ্টিক প্ৰদূষণ ৰোধ আৰু পৰিৱেশ সজাগতা সন্দৰ্ভত ভাষণ দিব। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী চন্দনা কলিতাই প্লাষ্টিক প্ৰদূষণ ৰোধ বিষয়ক ভাষণ আগবঢ়াব। আকাশবাণী গুৱাহাটীয়ে আজি দিনৰ ১১ বাজি ১৫ মিনিটৰ পৰা এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

০০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিৰ সুৰক্ষাৰ হকে ইতিবাচক পাৰিৱেশিক কাৰ্যসূচী গ্ৰহণৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বতে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰা হয়। এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে- **প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা।**

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত আজি দেশজুৰি গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসমতো অটল নগৰীয়া উজ্জীৱিতকৰণ আৰু ৰূপান্তৰকৰণ অভিযান অৰ্থাৎ অম্রুত আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই অভিযানৰ প্ৰথম পৰ্যায়ত ইতিমধ্যে কাৰ্যসূচী লোৱা হৈছে আৰু আজিৰ পৰা অহা ৩১ আগষ্টলৈ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী লোৱা হ'ব।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি বিশ্ব পৰিৱেশ দিৱসৰ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব।

পৰিৱেশ দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অন্যান্য সজাগতামূলক কাৰ্যসূচীও অনুষ্ঠিত হৈছে। এই উপলক্ষে বিদ্যালয়সমূহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই দিৱসৰ লগত সংগতি ৰাখি **এক পেড় মা কে নাম** কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ অধীনত বিদ্যালয়সমূহত গছপুলি ৰোপণ কৰা হৈছে। অহা ৩০ ছেপ্তেম্বৰলৈকে চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন বিদ্যালয়ে কমেও ৭০টাকৈ গছপুলি ৰোপণ কৰিব লাগিব। গছপুলিসমূহ বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু তেওঁলোকৰ মাতৃসকলে একেলগে ৰোপণ কৰি গছপুলি ৰোপণৰ এখনকৈ ছেল্ফি ECOCLUBS.EDUCATION.GOV.IN ত আপলোড কৰিবলৈ সমগ্ৰ শিক্ষা অসমে আহ্বান জনাইছে।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হৈছে। প্লাষ্টিক আৱৰ্জনাৰ সুব্যৱস্থাপনা নিশ্চিতকৰণৰ দিশত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰু মহাবিদ্যালয়, বিশ্বনাথ মহাবিদ্যালয়, ধেমাজি মহাবিদ্যালয়, টিহু মহাবিদ্যালয়, বি এইচ বি মহাবিদ্যালয় আৰু অইল ইণ্ডিয়াকে

ধৰি কেইবাখনো মহাবিদ্যালয় আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ সৈতে জন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। পৰিষদৰ অধীনত ৰাজ্যত বৰ্তমানলৈকে ২৪টা প্লাষ্টিক আৱৰ্জনাৰ ব্যৱহাৰভিত্তিক উদ্যোগৰ পঞ্জীয়ন কৰা হৈছে।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ধেমাজিৰ মাছখোৱা বেঙেনাগড়া গাঁৱৰ ৰাইজে আজি পুৱাই অসমমালা পথৰ দুয়োকাষে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। পৰিকল্পিতভাৱে ৰোপণ কৰা গছপুলিসমূহ বেৰা দি ইয়াক সংৰক্ষণৰো ব্যৱস্থা কৰা হৈছে।

ডিব্ৰুগড় জিলাত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা যাদৱ গগৈ—-
**ভইচ—-**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰৰ এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিবলৈ লৈছে। সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আজি দেশৰ ভৱিষ্যত প্ৰজন্মৰ উত্তৰণৰ মূল ছাবিকাঠি শিক্ষা আৰু ক্ৰীড়া সন্দৰ্ভত আলোকপাত কৰিবলৈ বিচৰা হৈছে।

ভাৰত এনে এখন দেশ য'ত মুঠ জনসংখ্যাৰ দুই-তৃতীয়াংশই ৩৫ বছৰ অনূৰ্ধ আৰু যুৱ প্ৰজন্মই ভাৰতৰ ভৱিষ্যত নিৰ্ণায়ক হ'ব। কেন্দ্ৰীয় চৰকাৰে এই নতুন প্ৰজন্মৰ সৰ্বাংগীণ উন্নয়নৰ বাবে শিক্ষা আৰু ক্ৰীড়াৰ মাধ্যমেৰে ভেঁটি নিৰ্মাণৰ প্ৰয়াস কৰিছে। ২০২০ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত চৰকাৰে ২০৩০ চনৰ ভিতৰত প্ৰাক বিদ্যালয়ৰ পৰা মাধ্যমিক পৰ্যায়লৈকে এশ শতাংশ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে। একেদৰে ২০৩৫ চনৰ ভিতৰত উচ্চ শিক্ষাত কমেও ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ লক্ষ্য স্থিৰ কৰা হৈছে। ২০১৪ চনৰ পৰা আই আই টি, আই আই এম, এইমছকে ধৰি বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ সংখ্যা পূৰ্বৰ ৫১ হাজাৰৰ পৰা ৭০ হাজাৰলৈ বৃদ্ধি পাইছে। পি এম শ্ৰী যোজনাৰ অধীনত গুণগত মানসম্পন্ন শিক্ষা প্ৰদানৰ লক্ষ্যৰে ১৪ হাজাৰ ৫০০ খন বিদ্যালয় উন্নীতকৰণ কৰা হৈছে।

শিক্ষাৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। খেলো ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত এহেজাৰৰো অধিক প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰাৰ লগতে ৩ হাজাৰৰো অধিক যুৱ খেলুৱৈক বছৰী ৬ লাখ ২৮ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্য দিয়া হৈছে। ভাৰতে আজিৰ যুৱ প্ৰজন্মক কেৱল লিখা-পঢ়া শিকোৱাই নহয়, তেওঁলোকক স্বপ্ন দেখিবলৈ আৰু দূৰন্ত গতিত নিজৰ বিকাশৰ যাত্ৰা অব্যাহত ৰাখিবলৈ প্ৰেৰণা যোগাইছে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ গুৱাহাটীত আজি লাভলীনা বক্সিং একাডেমী উদ্বোধন কৰিব। আন্তঃৰাষ্ট্ৰীয় বক্সিং খেলুৱৈ তথা অলিম্পিকত পদক লাভ কৰোতা লাভলীনা বৰগোহাঁইৰ উদ্যোগত এই বক্সিং একাডেমীখন স্থাপন কৰা হৈছে। ৰাজ্যৰ প্ৰতিভাবান খেলুৱৈক উলিয়াই আনি উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰি সুদক্ষ খেলুৱৈৰূপে গঢ়ি তোলাই এই একাডেমীখনৰ উদ্দেশ্য হ'ব বুলি লাভলীনা বৰগোহাঁইয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০

আপোনালোকৰ বাবে তেওঁলোকৰ কণ্ঠ হয়তো সুপৰিচিত। কিন্তু আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো তেওঁলোকৰ এটা নিজস্ব পৰিচয় আছে। এনে কেইগৰাকীমান বাতৰি পঢ়োতাৰ ভিন্ন পৰিচয় আগবঢ়োৱা হ'ব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ অহা ৭ জুনৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশিকাই।

০০০০০০

চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপত অহা ৫ ছেপ্তেম্বৰত ভাৰতীয় হকী দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত জাপান, থাইলেণ্ড আৰু ছিংগাপুৰৰ সৈতে ভাৰত পুল-বিত আছে। যোৱাবাৰৰ প্ৰতিযোগিতা ব্ৰঞ্জৰ পদক জয় কৰা ভাৰতে এইবাৰ খিতাপ জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতা জয়লাভ কৰিলে কেৱল এছিয়া কাপৰ ট্ৰফী লাভ কৰাই নহয় বৰং অহা বছৰ হ'বলগীয়া মহিলাৰ এফ আই এইচ হকী বিশ্বকাপত পোনপটীয়াকৈ স্থান নিশ্চিত কৰিব। ২০১৭ চনত ভাৰতে চীনক হৰুৱাই এছিয়া কাপ জয়ী কৰিছিল।

০০০০০০

কৰ্ণাটকৰ বেংগালুৰুত সদ্যসমাপ্ত আইপিএলৰ বিজয়ী দল ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয় উৎসৱত কালি পদপিষ্ট হৈ ১১ জন লোক নিহত আৰু বহুকেইজন লোক আহত হয়। এই বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে। জাতিভিত্তিক তথ্য সামৰি দেশৰ পৰৱৰ্তী লোকপিয়ল ২০২৭ চনৰ ১ মাৰ্চৰ পৰা আৰম্ভ হব। এই বাতৰিটো প্ৰায় আটাইকেইখন কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। কালি অনুস্থিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহন কৰা সিদ্ধান্ত সমূহ প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।ভাৰতৰ বিৰোধিতা সত্বেও পাকিস্তানে ৬০০০ কোটি টকাৰ সাহায্য লাভ কৰিব। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ট্ৰাম্পৰ কঠোৰ নীতিত অসন্তুষ্ট হৈ

দলে দলে বিজ্ঞানীয়ে আমেৰিকা এৰিছে। ই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ে অসমকে ধৰি উত্তৰ পূবৰ ৬ খন ৰাজ্যলৈ অতিৰিক্ত ৫৪০ কোটি টকা আবণ্টনত অনুমোদন জনাইছে। এই বাতৰিটো the Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকাত ১৩০০ কোটি টকাৰো অধিক ধনৰ কেলেংকাৰীত অসম সন্তান ডা তন্ময় শৰ্মা গ্ৰেপ্তাৰ হৈছে। এই বাতৰিটো অসমীsয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বৰদুৱাৰ বাগানৰ মাটিত টাউনশ্বিপৰ তীব্ৰ বিৰোধীতাৰে কালি পলাশবাৰীত ৰাভা জাতীয় সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। এই বাতৰিটো দৈনিক অসম আৰু আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জনগণৰ অনুষ্ঠান ৰূপ সুধাকন্থৰ জন্ম শতবাৰ্ষিকী পালনৰ উদ্যোগ অসম চৰকাৰে গ্ৰহণ কৰিছে। এওঁ সন্দৰ্ভত কালি অনুষ্ঠিত বৈঠকৰ সিদ্ধান্ত সমূহৰ বিষয়ে বাতৰি প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বিৰোধী দলসমূহে বিশেষ অধিবেশন আয়োজনৰ দাবী জনাই আহিছিল যদিও ইয়াক নাকচ কৰি কেন্দ্ৰই বৰ্ষাকালীন অধিবেশনৰ সূচী ঘোষনা কৰিছে। এই

বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। চিদীপীঅ সূৰ্য বৰুৱা আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হৈছে। এই বাতৰিটোও প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বানৰ মাজতে এপিএছচিয়ে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰাৰ সন্দভৰ্ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে দল সংগঠন সমূহে। এই বাতৰিটো অসমিয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

গুৱাহাটীৰ ছাৰ্ভে নিবাসী তথা অৰুণাচল প্ৰদেশ চৰকাৰৰ উদ্যোগ বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক পৱন চাংকাকতিৰ যোৱা নিশা এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ।

oooooo

সমাপ্ত